# BARAK VALLEY CEMENTS LTD.

Unit No. DSM 450-451-452, DLF Tower, 15 Shivaji Marg,
Najafgarh Road, Delhi 110015 • Tel. : +91-11-41212600
E-mail : delhi@barakcement.com • Website : www.barakcement.com
CIN : L01403AS1999PLC005741


ISO 9001 : 2015 CERT. No.: QAC/R91/1941

**Ref: 1811/BVCL/2026** **November 18, 2026**

**To**
**The General Manager**
**Department of Corporate Services,**
**BSE Limited**
Phiroze Jee Jee Bhoy Tower
Dalal Street, Fort
Mumbai-400001
Fax: 022-22722061/41/39
Phone No. 91-22-22721233/4

**Scrip Code- 532916**
**ISIN - INE139I01011**

**To**
**The General Manager**
**Department of Corporate Services,**
**National Stock Exchange of India Limited**
Exchange Plaza,
Bandra Kurla Complex,
Bandra (East), Mumbai-400051
Fax: 022-26598237/38/47
Phone No. 022-2659-8235/36

**Scrip Code- BVCL**

**Sub: Submission of Published Results under Regulation 47 of the SEBI (Listing Obligations and Disclosures Requirements) Regulations, 2015.**

Dear Sir/Madam,

Pursuant to Provision of Regulation 47 of SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015, please find enclosed copy of the unaudited financial results for the quarter and year ended 30th September, 2026 published in newspapers dated 14th November, 2026 viz. Financial Express (English Newspaper) and Dainandin Barta (Assamese Newspaper) which was duly approved in the meeting of Board of Directors held on 13th November, 2026.

This is for your kind information and record.

Thanking You,

**Yours faithfully,**
**For BARAK VALLEY CEMENTS LIMITED**
For Barak Valley Cements Ltd.

PREETI BHATIA Digitally signed by PREETI BHATIA Date: 2026.11.18 15:30:32 +05'30'

Preeti Company Secretary
**Preeti Bhatia**
**(Company Secretary and Compliance Officer)**

### মাজবাটত কৃষি বিভাগৰ 'আত্মা' আঁচনিৰ বিশেষ পৰ্যালোচনা সভা

# কৃষকৰ সবলীকৰণ আৰু বৈজ্ঞানিক কৃষি পদ্ধতিৰ ওপৰত বিশেষ গুৰুত্ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৩ নৱেম্বৰ ঃ** কৃষি খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অনা আৰু কৃষকসকলক অৰ্থনৈতিকভাৱে অধিক সবল কৰি তোলাৰ লক্ষ্যৰে ১২ নৱেম্বৰত মাজবাটত কেন্দ্ৰীয় চৰকাৰৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা চমুকৈ 'আত্মা' আঁচনিৰ এক বিশেষ পৰ্যালোচনা তথা উপদেষ্টা সমিতিৰ ব্লক ফাৰ্মাৰ এড্‌ভাইজৰী কমিটীৰ বৈঠক অনুষ্ঠিত হৈ যায়। আত্মাৰ সক্ৰিয় পৰিচালনাত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ বৈঠকত অঞ্চলটোৰ কৃষি উন্নয়নৰ বিভিন্ন দিশ সামৰি চোৱা হয়। সভাখনত বিগত দিনবোৰত এই আঁচনিৰ অধীনত সম্পন্ন হোৱা কাম-কাজসমূহৰ এক বিস্তৃত মূল্যায়ন কৰা হয়। বিশেষকৈ, আত্মা আঁচনিৰ অধীনত কৃষকসকললৈ আগবঢ়োৱা কৃষিজাত সামগ্ৰীৰ উৎপাদন, ইয়াৰ লাভালাভ, আধুনিক কৃষি প্ৰযুক্তিৰ সফল আহৰণ, উচ্চ উৎপাদনক্ষম নতুন বীজৰ যোগান তথা কৃষক সমাজৰ মাজত আঁচনিখনৰ জনপ্ৰিয়তা আৰু অৰ্জন কৰা সাফল্যসমূহ গভীৰভাৱে আলোচনা কৰা হয়। তদুপৰি, কৃষকসকলক অধিক কাৰ্যক্ষম কৰি তুলিবলৈ আয়োজিত প্ৰশিক্ষণ শিবিৰসমূহৰ সফলতাক লৈও সুপথ নিৰ্ণায়ক পৰ্যালোচনা কৰা হয়। সভাত কেৱল সাফল্য ৰোমন্থনেই কৰা হোৱা নাছিল, বৰঞ্চ আগন্তুক দিনৰ কাৰ্যাৱলী আৰু ভৱিষ্যৎ পৰিকল্পনাৰ ওপৰতো এক দীঘলীয়া তথা ফলপ্ৰসু আলোচনা কৰা হয়। বৰ্তমানৰ প্ৰতিযোগিতামূলক যুগৰ সৈতে মিলাই চলিবলৈ আন্তৰ্জাতিক বজাৰৰ চাহিদা আৰু প্ৰতিযোগিতাক প্ৰতিহত কৰিব পৰাকৈ উন্নত কৃষি প্ৰণালী গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কৃষিভিত্তিক প্ৰশিক্ষণ, উন্নত মানৰ কৃষি বীজৰ সঠিক বিতৰণ, আধুনিক কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাৰ ওপৰত বিশেষজ্ঞসকলে আলোকপাত কৰে। কৃষকসকলে যাতে সঠিক সময়ত বতৰ বিজ্ঞানৰ সঠিক তথ্য আৰু বজাৰৰ চাহিদাৰ সঠিক খবৰ লাভ কৰিব পাৰে, সেই বিষয়েও কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ আগবঢ়োৱা হয়। বৰ্তমানৰ বজাৰৰ চাহিদা পূৰাবলৈ উপযোগী কৃষিযোগ্য মাটিসমূহক বৈজ্ঞানিক পদ্ধতিৰে সৰ্বোৎকৃষ্টভাৱে ব্যৱহাৰ কৰি উৎপাদন বহুগুণ বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰা হয়। অঞ্চলটোৰ অৰ্থনৈতিক বিকাশ আৰু কৃষকসকলৰ আয় বৃদ্ধিৰ দিশটোত বিশেষ গুৰুত্ব প্ৰদান কৰি বৈঠকত ভোজ্য তেলৰ কৃষি সম্প্ৰসাৰণ, লাভজনক মাখনা খেতি আৰু মেটেকা জাতীয় উদ্ভিদৰ পৰা বিভিন্ন উপযোগী সামগ্ৰী প্ৰস্তুতকৰণৰ ওপৰত বিশদ আলোচনা কৰা হয়। ইয়াৰ লগতে, গ্ৰাম্য অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ মহিলাসকলৰ অৰ্থনৈতিক বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ পথ প্ৰশস্ত কৰাৰ বাবে আত্মসহায়ক গোটসমূহৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। লগতে, দীৰ্ঘদিন ধৰি পৰি থকা বাৰী বা পথাৰৰ খালী মাটিসমূহৰ উচিত আৰু লাভজনক ব্যৱহাৰৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিত এক নতুন গতি আনিবলৈ আহ্বান জনোৱা হয়। মাজবাটৰ এই সুধী সমাজ আৰু কৃষকৰ মিলনথলীত অনুষ্ঠিত বৈঠকত কৃষি বিভাগৰ বিভিন্ন বিষয়ববীয়া আৰু কৰ্মীসকলৰ লগতে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশেষকৈ সুদক্ষ খণ্ড প্ৰযুক্তি প্ৰবন্ধক জিয়াউল আহমেদ, সহকাৰী প্ৰবন্ধক লোহিতা ৰাভা, দুগ্ধ বিভাগৰ মিলন শইকীয়া, সমাজকৰ্মী ৰাহুল হুছেইন, কাৰিকৰী প্ৰযুক্তি সহায়ক বিশ্বজিৎ দাস, উদ্যামী মহিলা নমিতা চহৰীয়া, প্ৰগতিশীল কৃষক প্ৰফুল্ল নাথ আৰু জাংছৰ বসুমতাৰীৰ দৰে সক্ৰিয় ব্যক্তিসকলৰ উপস্থিতিয়ে সভাখনক অধিক প্ৰাণৱন্ত কৰি তোলে। এই বৈঠকে মাজবাটৰ কৃষি সমাজক এক নতুন দিশ প্ৰদৰ্শন কৰাৰ লগতে অনাগত দিনত কৃষকসকলৰ সবলীকৰণৰ বাবে এক শক্তিশালী পথ প্ৰশস্ত কৰিব বুলি উপস্থিত সকলোৰে আশাবাদ ব্যক্ত কৰে।

# ২০, ২১ আৰু ২২ নৱেম্বৰত বটদ্ৰৱা থানত অসম সত্ৰ মহাসভাৰ ৫৩সংখ্যক পূৰ্ণকালীন অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ নৱেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ তথা গুৰুজনাৰ অমূল্য সাংস্কৃতিক সম্পদ গীত, নাট, বাদ্য, নৃত্য আদিৰ নিৰৱচ্ছিন্ন চৰ্চা আৰু অধ্যয়নৰ জৰিয়তে অসমৰ সমাজ জীৱনত যুগ যুগ ধৰি ভক্তিময় পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত সত্ৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ সত্ৰসমূহৰ ১১১বছৰীয়া একমাত্ৰ উমৈহতীয়া তথা ঐতিহ্যপূৰ্ণ মঞ্চ অসম সত্ৰ মহাসভাৰ ৫৩সংখ্যক পূৰ্ণকালীন অধিৱেশন অহা ২০, ২১ আৰু ২২ নৱেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ পৱিত্ৰ জন্মভূমি শ্ৰীশ্ৰীবটদ্ৰৱা থান চৌহদত অনুষ্ঠিত হ'ব। ইতিমধ্যে অধিৱেশনখন সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অসম সত্ৰ মহাসভাৰ সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে জানিবলৈ দিয়া মতে, ২০ নৱেম্বৰৰ পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ কাৰ্যসূচীৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পিছতে পুৱা ৯ বজাত ৫৩খন ধৰ্মধ্বজা উত্তোলন কৰা হ'ব। মূল ধৰ্মধ্বজা উত্তোলন কৰিব অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানীয়ে। একেদৰে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰিব মহাসভাৰ কাৰ্যকৰী সভাপতি ভৱানন্দ গোস্বামীয়ে। সেইদিনা পুৱা ১০ বজাৰ পৰা সত্ৰাধিকাৰ সন্মিলন অনুষ্ঠিত হ'ব। অসমৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰসকলে অংশগ্ৰহণ কৰিবলগীয়া এই সন্মিলন উদ্বোধন কৰিব শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্তই। সন্মিলনত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিব মাজুলীৰ ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড° বাবুল দাস মহন্ত। আনহাতে, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব শুৱালকুছিৰ শ্ৰীশ্ৰীঈশ্বৰহাটী সত্ৰৰ সত্ৰাধিকাৰ ৰাজীৱলোচন দত্ত, যোৰহাটৰ লেটোগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ গোপাল মহন্ত, সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰী আৰু পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰ ভাস্কৰ দেৱগোস্বামীয়ে। সেইদিনা দিনৰ ২ বজাৰ পৰা অসম সত্ৰ মহাসভাৰ ভগ্নী সংগঠন সতী ৰাধিকা মহিলা তীৰ্থৰ উদ্যোগত এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। আলোচনা-চক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকিব বিশিষ্ট শিক্ষাবিদ ড° সব্যসাচী মহন্ত। আলোচক হিচাপে অংশগ্ৰহণ কৰিব শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° কমল কুমাৰ তাঁতী আৰু বটদ্ৰৱা শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ বীণা কলিতাই। সন্ধিয়া ৮ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সোঁৱৰণী সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নগাঁও জিলাৰ আয়ুক্ত আৰণ্যক শইকীয়াই। অধিৱেশনৰ দ্বিতীয় দিনা অৰ্থাৎ ২১ নৱেম্বৰৰ পুৱা ১০ বজাৰ পৰা অসম সত্ৰ মহাসভাৰ ভাতৃ সংগঠন সমন্বিত যুৱ তীৰ্থৰ সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলন উদ্বোধন কৰিব নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লানজ্যোতি দেৱগোস্বামীয়ে। সন্মিলনত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, বিশিষ্ট সাংবাদিক ৰাজদীপ বাইলুং বৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰাঞ্জল শইকীয়াই। এই যুৱ সন্মিলনতে বিশিষ্ট সমাজসেৱক সময় গগৈক 'সমাজ হিতৈষী যুৱ বঁটা' আৰু কুশল ডেকাক 'যুৱ সত্ৰীয়া প্ৰতিভা বঁটা' প্ৰদান কৰা হ'ব। সেইদিনা বিয়লি ২ বজাৰ পৰা এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হ'ব। সভাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাগৰাকীও বিশিষ্ট পণ্ডিতে অংশগ্ৰহণ কৰিব। সন্ধিয়া ৭ বজাৰ পৰা ৰাজ্যিক প্ৰতিনিধি সভা অনুষ্ঠিত হোৱাৰ লগতে নিশা ৯ বজাৰ পৰা অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। অধিৱেশনৰ অন্তিম দিনা অৰ্থাৎ ২২ নৱেম্বৰৰ পুৱা ১০ বজাত এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শোভাযাত্ৰা উদ্বোধন কৰিব বিধায়ক ৰূপক শৰ্মাই। সেইদিনা দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত হ'ব মুকলি সভা। মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰিবলগীয়া এই সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব মন্ত্ৰী পীযুষ হাজৰিকা, অতুল বৰা আৰু ৰণোজ পেগু। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমাই, বিশিষ্ট সাহিত্যিক ড° নৱ কুমাৰ গাম, মিলেশ্বৰ পাতৰ আৰু বড়ো সাহিত্য সভাৰ সভাপতি গোপীনাথ বৰুগায়াৰীয়ে। সেইদিনা সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব অমৃতকণ্ঠ জুবিন গাৰ্গ সোঁৱৰণী বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। এই অনুষ্ঠান উদ্বোধন কৰিব সংগীত নাটক একাডেমী বঁটাপ্ৰাপক মল্লিকা কন্দলীয়ে। অসমীয়া জাতীয় জীৱনৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক ঐতিহ্যৰ সৈতে ওতপ্ৰোতভাৱে জড়িত অসম সত্ৰ মহাসভাৰ এই তিনিদিনীয়া অধিৱেশনৰ প্ৰতিটো কাৰ্যসূচীতে সমাজৰ সকলো শ্ৰেণীৰ ৰাইজৰ সক্ৰিয় উপস্থিতি আৰু সহযোগিতা কামনা কৰা হৈছে। অধিৱেশনখন সাফল্যমণ্ডিত কৰি তুলিবলৈ অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানী, সম্পাদকপ্ৰধান কুসুম কুমাৰ মহন্ত, আদৰণী সমিতিৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মা আৰু সাধাৰণ সম্পাদক লাচিত বৰদলৈয়ে সমূহ ৰাইজক আন্তৰিক আহ্বান জনাইছে।

# ধূপধৰাৰ ৰূপালী জয়ন্তীৰ স্মাৰক গ্ৰন্থ 'শ্যামাপ্ৰভা' উন্মোচন


## ২৫বছৰীয়া সাংস্কৃতিক ঐতিহ্যৰ এক লিখিত দলিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৩ নৱেম্বৰ ঃ** ধূপধৰা সাৰ্বজনীন শ্ৰীশ্ৰীমা শ্যামাকালী পূজাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে প্ৰকাশ কৰি উলিওৱা হৈছে এক ব্যতিক্ৰমী তথা আইএছবিএনযুক্ত স্মাৰক গ্ৰন্থ 'শ্যামাপ্ৰভা'। দুই ডজনৰো অধিক মননশীল প্ৰবন্ধ, অনুৰণন, সাক্ষাৎকাৰ আৰু ২৫ বছৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ তথ্য-সূত্ৰৰে সমৃদ্ধ এই স্মাৰক গ্ৰন্থখনে ধূপধৰাৰ শ্যামাকালী পূজাৰ দীৰ্ঘদিনীয়া যাত্ৰাৰ লগতে সমগ্ৰ অঞ্চলটোৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্য সংৰক্ষণৰ এক বলিষ্ঠ প্ৰয়াস কৰিছে। গ্ৰন্থখন সন্দৰ্ভত প্ৰচাৰ আৰু জনসংযোগ বিভাগৰ সভাপতি অজয় কুমাৰ শীলে সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি, 'শ্যামাপ্ৰভা' কেৱল এখন পূজা স্মাৰক গ্ৰন্থই নহয়; ই ধূপধৰাৰ ২৫ বছৰীয়া স্মৃতি, পৰম্পৰা, ঐতিহ্য আৰু সমূহীয়া আত্মাৰ এক নিখুঁত লিখিত দলিল। তেওঁ লগতে কয় যে, অসমৰ বিভিন্ন প্ৰান্তৰ লেখক, শিক্ষাবিদ, সাংবাদিক আৰু বিশিষ্ট ব্যক্তিসকলৰ চিন্তা-চৰ্চাৰে সমৃদ্ধ এই গ্ৰন্থখনৰ জৰিয়তে ধূপধৰাৰ সাংস্কৃতিক পৰিচয়ক এক বিস্তৃত পৰিসৰত ৰাইজৰ মাজলৈ লৈ যোৱাৰ



চেষ্টা কৰা হৈছে। এই স্মাৰক গ্ৰন্থখনৰ অন্যতম উল্লেখযোগ্য বিশেষত্ব হৈছে সমগ্ৰ অসম জুৰি থকা লেখকসকলৰ অভূতপূৰ্ব অংশগ্ৰহণ। কেৱল ধূপধৰাই নহয়, বৰঞ্চ পাঠশালা, পাটাছাৰকুছি, জামুগুৰিহাট, বিশ্বনাথ, নলবাৰী, শিমলীতোলা, দৰং, বকো, বৰপেটা আৰু সৰভোগ আদি বিভিন্ন প্ৰান্তৰ লেখকসকলে গ্ৰন্থখনৰ কলেবৰ বৃদ্ধিৰ বাবে চিন্তা উদ্দীপক প্ৰবন্ধ আৰু অন্যান্য লেখা আগবঢ়াইছে। তদুপৰি, বিকালী মহাবিদ্যালয় আৰু চেপন মহাবিদ্যালয়ৰ কেইবাগৰাকীও আগশাৰীৰ শিক্ষাবিদৰ মননশীল লেখনিও ইয়াত সন্নিবিষ্ট হৈছে। বিশেষভাৱে লক্ষণীয় যে, অসম চৰকাৰৰ সাহিত্য বঁটা, যুৱ লেখক বঁটা আৰু ৰাজ্যিক কৃতী শিক্ষক সন্মানেৰে বিভূষিত লেখকৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট স্তম্ভ লেখক আৰু সাংবাদিকৰ চিন্তাশীল লেখনিৰে 'শ্যামাপ্ৰভা' সুবাসিত হৈ উঠিছে। প্ৰায় ৪২টাৰো অধিক গুৰুত্বপূৰ্ণ লেখাৰে সমৃদ্ধ 'শ্যামাপ্ৰভা'ত বৈচিত্ৰ্যময় বিষয়বস্তুৰে স্থান পাইছে। ইয়াৰ ভিতৰত আদ্যাশক্তি, কালী পূজাৰ তত্ত্ব, ধৰ্ম, আধ্যাত্মিকতা, সংস্কৃতিৰ আত্মানুসন্ধান, অসমীয়া সাহিত্য, উপনিষদ, সাংস্কৃতিক পৰম্পৰা, ৰাভা জনগোষ্ঠীৰ পূজা-পাৰ্বণ, ক্ষেত্ৰ-ক্ষেত্ৰজ্ঞৰ দাৰ্শনিক চিন্তা, সম্প্ৰীতি, পৰিৱেশ-সচেতনতা, ধূপধৰাৰ পৰম্পৰাগত আৱতি কলা আৰু নাৰীৰ নীৰৱ অৰ্থনৈতিক বিপ্লৱ আদি বহুতো সাম্প্ৰতিক তথা গভীৰ বিষয়বস্তু সামৰি লোৱা হৈছে। গ্ৰন্থখনৰ বিশেষ আকৰ্ষণ হৈছে ইয়াৰ 'অনুৰণন' আৰু সাক্ষাৎকাৰ শিতান দুটা। য'ত শ্যামাকালী পূজাৰ বিগত ২৫ বছৰৰ বিভিন্ন ঐতিহাসিক তথ্য, আলোকচিত্ৰ আৰু স্মৰণীয় মুহূৰ্তসমূহ সংকলিত কৰা হৈছে। ফলস্বৰূপে 'শ্যামাপ্ৰভা'ই পাঠকক পূজাৰ আৰম্ভণিৰ পৰা ৰূপালী জয়ন্তীলৈকে অহা দীৰ্ঘ যাত্ৰাৰ এক তথ্যভিত্তিক আৰু দৃশ্যমান ছবি উপহাৰ দিবলৈ সক্ষম হৈছে। সম্পাদক ৰুদ্ৰ সিং ৰাভা, সহ-সম্পাদক জয়ন্ত কুমাৰ দাস আৰু সভাপতি সুকান্ত বসাকৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টাত প্ৰকাশ পাই উঠা এই গ্ৰন্থখন ধূপধৰাৰ স্মৃতি, পৰম্পৰা আৰু সমূহীয়া সত্তাৰ এক উজ্জ্বল প্ৰতিচ্ছবি হিচাপে ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক অমূল্য সম্পদ হৈ ৰ'ব বুলি আশাবাদী ধূপধৰাবাসী তথা সচেতন মহল।

# সৰবৰহী যুৱক বিষু ডেকাৰ দেহাৱসান, ৰঙিয়াৰ বাৰাংহাটীত শোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, বালিসত্ৰ, ১৩ নৱেম্বৰ ঃ** ৰঙিয়া সমজিলাৰ বাৰাংহাটী নিবাসী সৰবৰহী যুৱক তথা বিজেপিৰ সক্ৰিয় কৰ্মী বিষু ডেকাৰ (৫০) বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ যোৱা ১১ নৱেম্বৰৰ শেষ নিশা নিজ বাসগৃহত দেহাৱসান ঘটে। ছাত্ৰাৱস্থাৰে পৰা সামাজিক ক্ষেত্ৰখনৰ সৈতে জড়িত হৈ তেওঁ এসময়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৰঙিয়া জিলা সমিতিৰ সাংগঠনিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি সমাজৰ সৰ্বাংগীণ উত্তৰণত আত্মনিয়োগ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ বিভিন্ন ৰাজনৈতিক দলৰ সৈতে পৰোক্ষভাৱে জড়িত হৈ অঞ্চলটোৰ উন্নয়নত মনোনিৱেশ কৰাৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ উত্তৰ কামৰূপ জিলাৰ কিষাণ মৰ্চাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমান বিজেপিৰ বুথ সম্পাদক আৰু পৃষ্ঠপ্ৰমুখ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। বাৰাংহাটী মাধৱ মন্দিৰ পুনৰ নিৰ্মাণ সমিতিৰ প্ৰাক্তন সম্পাদক, বাৰাংহাটী আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সম্পাদক আৰু সভাপতিৰ লগতে বাৰাংহাটী সুদৰ্শন ক্লাবৰ অন্যতম প্ৰতিষ্ঠাপক তথা প্ৰাক্তন সভাপতি ডেকাই অভিনেতা হিচাপেও সাংস্কৃতিক ক্ষেত্ৰখনত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। গুৰু শংকৰদেৱ যাত্ৰিক থিয়েটাৰ, ঐনিতম থিয়েটাৰ দলৰ লগতে বিভিন্ন এমেছাৰ গ্ৰুপত অভিনয় কৰি তেওঁ খ্যাতি অৰ্জন কৰিছিল। বাৰাংহাটীৰ ভোগালী ক্ৰিকেট, বাৰাংহাটী কালী মন্দিৰ, বাৰাংহাটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ লগতে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে জড়িত হৈ থকা ডেকাৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ মাতৃ আৰু পত্নীসহ একমাত্ৰ কন্যা আৰু কণমানি পুত্ৰ সন্তানৰ লগতে অসংখ্য গুণমুগ্ধক এৰি যায়। বিজেপিৰ উত্তৰ কামৰূপ জিলা আৰু বৰলীয়া মণ্ডল সমিতি, অগপৰ বাৰাংহাটী আঞ্চলিক সমিতি, বাৰাংহাটী মণ্ডল কংগ্ৰেছ, বাৰাংহাটী সুদৰ্শন ক্লাব, বাৰাংহাটী আঞ্চলিক ৰঙালী বিহু সন্মিলন, বাৰাংহাটী কালী মন্দিৰ পৰিচালনা সমিতি, বাৰাংহাটী সাপ্তাহিক বজাৰ পৰিচালনা সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ৰঙিয়া জিলা আৰু পশ্চিম বড়িগোগ আঞ্চলিক সমিতি, পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থা, বাৰাংহাটী উচ্চ বুনিয়াদী বিদ্যালয়, ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ উপাধ্যক্ষ নৱদীপ কলিতা, বিজেপিৰ ৰাজ্যিক সম্পাদক ৰাতুল শৰ্মা, কিষাণ মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি নিবাৰণ লহকৰ, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ভৱজ্যোতি ডেকা, কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতা, সাহিত্য সংগঠক হেমন্ত কলিতা, ইউ এন এছ টি এমৰ অধ্যাপক ডাঃ ধীৰেন্দ্ৰ নাথ ডেকা, বাৰাংহাটীৰ গাঁওপ্ৰধান পংকজ শইকীয়া, গড়পোট বাৰাংহাটী গাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰণিতা মালাকৰ ডাউকা, গুৰু শংকৰদেৱ যাত্ৰিক থিয়েটাৰৰ প্ৰযোজক বাবুল কলিতা আদিৰ লগতে অঞ্চলটোৰ বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়।

# পুলিবৰ আৰক্ষীৰ বৃহৎ সাফল্য

## পুলিবৰত গভাইত চোৰ টোটোলাক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ১৩ নৱেম্বৰ ঃ** পুলিবৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিমন্ত কিশোৰ দত্ত, এএছআই ভাস্কৰ দাসৰ নেতৃত্বত নপমুৱা গাঁৱৰ টোটোলা নামৰ এটা চোৰৰ নিজ গৃহৰ পৰা বহু চুৰি সামগ্ৰী উদ্ধাৰ কৰে। জানিব পৰা মতে দীৰ্ঘদিন ধৰি পুলিবৰ অঞ্চলত চুৰি কাৰ্যৰে তাণ্ডৱ সৃষ্টি কৰিছিল ন-পমুৱা গাঁৱৰ টোটোলা নামৰ গভাইত চোৰটোৱে। পুলিবৰ অঞ্চলৰতী গাঁওসমূহত এ চি, পানী মটৰ, ইলেক্ট্ৰনিক সামগ্ৰী, বিভিন্ন মূল্যৱান সামগ্ৰী চুৰি কৰি নিজৰ ঘৰত মজুত ৰখাৰ লগতে বিভিন্ন লোকক ঠগ-প্ৰৱঞ্চনাৰে বিক্ৰী কৰিছিল। চুৰি সামগ্ৰীসমূহ অৱশেষত পুলিবৰ আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত বৃহস্পতিবাৰে নিশা চোৰ টোটোলাক গ্ৰেপ্তাৰ কৰে। পুলিবৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চোৰ টোটোলাই আৰক্ষীৰ জেৰাত স্বীকাৰ কৰে বহু দিন ধৰি চুৰি কাৰ্যত জড়িত হৈ থকাৰ কথা। কেইবাবাৰো চুৰি কাৰ্যত জড়িত হোৱা টোটোলা নামৰ চোৰটোক জে'ল হাজোতলৈ প্ৰেৰণ কৰিছিল আৰক্ষীয়ে। বাৰে বাৰে জে'লৰ পৰা ওলাই আহি আকৌ একেই চোৰ বৃত্তিৰ লগত জড়িত হয়। টোটোলা পুলিবৰ থানাৰ তদন্তকাৰী বিষয়া সহকাৰী উপ-পৰিদৰ্শক ভাস্কৰ দাসে জনোৱা মতে জব্দ হোৱা চুৰি সামগ্ৰীৰ ভিত্তিত পুলিবৰ থানা গোচৰ নং১৩১/২৬ পঞ্জীয়ন কৰি যোৰহাট ন্যায়াধীশ আদালতত হাজিৰ কৰায় আৰক্ষীয়ে গভাইত চোৰটোক।

# হোজাইত ৰাষ্ট্ৰীয় শিক্ষা দিৱস উদ্‌যাপন

## বিশেষ অৱদান আগবঢ়োৱা ছগৰাকী শিক্ষকক আজমল ফাউণ্ডেচনৰ সম্বৰ্ধনা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ১৩ নৱেম্বৰ ঃ** ভাৰতৰ প্ৰথমগৰাকী শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ জন্ম দিনটোৰ লগত সংগতি ৰাখি ১১ নৱেম্বৰৰ দিনটো সমগ্ৰ দেশত 'ৰাষ্ট্ৰীয় শিক্ষা' দিৱস হিচাপে পালন কৰা হয়। দিনটোতে, অৰ্থাৎ ১৮৮৮ চনৰ ১১ নৱেম্বৰত স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে জন্মগ্ৰহণ কৰিছিল। জন্ম দিনটোৰ লগত সংগতি ৰাখি হোজাইৰ নাজিৰ আজমল মেম'ৰিয়েল কলেজ অৱ এডুকেচনত বিভিন্ন কাৰ্যসূচীৰে 'ৰাষ্ট্ৰীয় শিক্ষা দিৱস' উদ্‌যাপন কৰা হয়। উল্লেখ্য যে, ভাৰতৰ প্ৰথমগৰাকী শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ ১৩৮সংখ্যক জন্মদিন উপলক্ষে সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় শিক্ষা দিৱস পালন কৰা হয়। এই শিক্ষা দিৱসৰ লগত সংগতি ৰাখি আজমল ফাউণ্ডেচনৰ দ্বাৰা পৰিচালিত নাজিৰ আজমল মেম'ৰিয়েল কলেজত চাৰিগৰাকী শিক্ষক আৰু দুগৰাকী শিক্ষয়িত্ৰীক ফুলাম গামোচা, জাপি, শৰাই, চাদৰ আদিৰে বিপুলভাৱে আজমল ফাউণ্ডেচনে সম্বৰ্ধনা জনোৱাৰ লগতে ২৫ হাজাৰ টকাৰে সন্মান যচা হয়। শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে উদালী বেলতলা এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষকক খলিলুৰ ৰহমান, আবুল আজিম, হোজাইৰ নেতাজী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কল্যাণী দেৱ, যোগীজান এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী পামীলা দেৱী, নীলবাগান পি এম শ্ৰী নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰফিক উদ্দিন বৰভূঞা আৰু উদালী মাৰ্কাজুল মা'আৰিফ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভূপেন নাথ। এই শিক্ষা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাজৰ বিজ্ঞান আৰু ৰাজনীতি বিজ্ঞানৰ প্ৰাক্তন মুৰব্বী প্ৰফেছৰ অখিল ৰঞ্জন দত্ত, এচিএছ বিষয়া ৰুবু বৰা, আজমল ফাউণ্ডেচনৰ ন্যাসৰক্ষী আব্দুল ৰহমান আজমল, আজমল ফাউণ্ডেচনৰ সঞ্চালক ড° খচৰুল ইছলাম, মহাপ্ৰবন্ধক ড° এমআৰএইচ আজাদ, নাজিৰ আজমল মেম'ৰিয়েল কলেজ অৱ এডুকেচনৰ অধ্যক্ষ ড° আশিস সাহাৰ লগতে আব্দুৰ নুৰ, ৰফিক উদ্দিনকে ধৰি বহুকেইজন বিষয়ববীয়া।

# বিলাসীপাৰাত ব্লক পৰ্যায়ৰ সতৰ্কতা আৰু নিৰীক্ষণ সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীগঞ্জ, ১৩ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ চাপৰ-শালকোচা উন্নয়ন খণ্ডৰ অধীনত বিলাসীপাৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত আজি ব্লক পৰ্যায়ৰ সতৰ্কতা আৰু নিৰীক্ষণ সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিধায়ক জীৱেশ ৰায়ৰ প্ৰতিনিধি হিচাপে উপস্থিত থাকে শালকোছাৰ সমাজকৰ্মী সুদীপ্ত বৰ্মন। বৈঠকত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত খাদ্য সামগ্ৰী বিতৰণ, সুলভ মূল্যৰ দোকানসমূহৰ কাৰ্যকলাপ আৰু ব্যৱস্থাটোৰ স্বচ্ছতা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত বিলাসীপাৰা সমজিলা আয়ুক্ত মানসজ্যোতি নাথ, সমাজকৰ্মী হেৰম্ব কলিতা, খাদ্য-ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধ্যক্ষ ৰাজীৱ সিং, খণ্ড উন্নয়ন বিষয়া কপিল নাথ, আঞ্চলিক পঞ্চায়ত সভাপতি বাবু হিতু ৰায়, পঞ্চায়ত সভাপতি-সভানেত্ৰী, আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# নগাঁও জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাৰ আয়োজন

## নতুন সমিতি গঠনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহমপুৰ, ১৩ নৱেম্বৰ ঃ** নগাঁও জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা এখন অহা ১৫ নৱেম্বৰত নগাঁও চৰকাৰী পেঞ্চনাৰ সন্থাৰ ভৱনত আয়োজন কৰা হৈছে। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ১০ বজাত পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ হোৱাৰ পিছতে স্মৃতি তৰ্পণ কৰা হ'ব। ইয়াৰ পিছতে পুৱা ১১ বজাত এখন মুকলি সভা অনুষ্ঠিত হ'ব। সভাত বিভিন্ন বিষয় আলোচনাৰ লগতে নতুন সমিতি গঠন কৰা হ'ব। সেয়ে নগাঁও জ্যেষ্ঠ নাগৰিক সন্মিলনৰ হৈ সভাপতি শিৱানন্দ কাকতি আৰু সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ শইকীয়াই উক্ত দ্বি-বাৰ্ষিক সাধাৰণ সভাত সংগঠনটোৰ সকলো বিষয়ববীয়া, সদস্যসকলৰ উপস্থিতি আৰু সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

# উত্তৰ গুৱাহাটীৰ বংকিম চন্দ্ৰ দাসৰ পৰলোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ১৩ নৱেম্বৰ ঃ** উত্তৰ গুৱাহাটী অভয়পুৰ নিৱাসী বংকিম চন্দ্ৰ দাসৰ যোৱানিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটে। মধুমেহ ৰোগত আক্ৰান্ত দাসৰ মৃত্যুত উত্তৰ গুৱাহাটীৰ লগতে সমগ্ৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ নশ্বৰ দেহ নিজা বাসভৱনলৈ লৈ অনাৰ লগে লগে অলেখ গুণমুগ্ধ উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উত্তৰ গুৱাহাটীৰ বিভিন্ন ক্লাবৰ হৈ সুদক্ষতাৰে ফুটবল খেলি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা দাসৰ অকাল বিয়োগত উত্তৰ গুৱাহাটীৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। প্ৰয়াত দাসে আন্তঃবিদ্যালয় আৰু আন্তঃ মহাবিদ্যালয়ৰ অন্তৰ্গত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শিক্ষানুষ্ঠানলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ৫৮ বছৰ গৰকা অমায়িক দাসে মৃত্যুৰ সময়ত পত্নী, দুগৰাকী জীয়ৰী, পৰিয়ালসহ অলেখ গুণমুগ্ধক এই সংসাৰত এৰি থৈ যায়।

# চামতাৰ ধৰ্মপ্ৰাণ মহিলা নুৰজাহান বিবিৰ পৰলোক



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৩ নৱেম্বৰ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতা গাঁৱৰ দাহাতোলা চুবুৰিৰ সাদৰী তথা ধৰ্মপ্ৰাণ মহিলা নুৰজাহান বিবিৰ কালি নিশা ৯ বজাত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ। মৃত্যুৰ সময়ত তেওঁ তিনিজন পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী আৰু অনেক গুণমুগ্ধক সংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুৰ খবৰ সমগ্ৰ অঞ্চলটোত বিয়পি পৰাৰ লগে লগে পশ্চিম নলবাৰীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।


**সেন্ট্ৰল বেঁক অফ্ ইণ্ডিয়া / Central Bank of India**
1911 से आपके लिए "केंद्रित" "CENTRAL" TO YOU SINCE 1911

**শাখা ঃ উলুবাৰী**

**দখলৰ জাননী**

চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২-ৰ নিয়ম ৮(১)-ৰ অধীনত

যিহেতু, **চেণ্ট্ৰেল বেংক অফ ইণ্ডিয়া**, উলুবাৰী শাখাৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া হিচাপে নিম্নস্বাক্ষৰকাৰীয়ে চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অফ ফাইনেঞ্চিয়েল এচেটছ এণ্ড এনফৰ্চমেণ্ট অফ চিকিউৰিটি ইণ্টাৰেষ্ট এক্ট, ২০০২-ৰ অধীনত আৰু চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২-ৰ নিয়ম ৩-ৰ সৈতে পঠিত ধাৰা ১৩(১২)-ৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি **০১/০৯/২০২৬** তাৰিখে এখন দাবী জাননী জাৰি কৰিছিল, যাৰ জৰিয়তে ঋণ লওঁতা **শ্ৰীযুত ৰাজীৱ কলিতা (ঋণ লওঁতা), পিতা-প্ৰয়াত ননী ৰাম কলিতা, শ্ৰীযুত অৰূপ কলিতা (সহ-ঋণ লওঁতা), পিতা-প্ৰয়াত ননী ৰাম কলিতা আৰু শ্ৰীযুত অনুপ কলিতা (সহ-ঋণ লওঁতা), পিতা-প্ৰয়াত ননী ৰাম কলিতাক উক্ত জাননী লাভ কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত জাননীত উল্লেখ কৰা ধন অৰ্থাৎ ০১/০৯/২০২৬ তাৰিখলৈকে আমাৰ প্ৰাপ্য ২৯,০৪,৭৭৮.০০ টকা (বকেয়া ধন- ১৬,০০,০০০.০০/-টকা + অনাদায় সুদ- ৯,৭৪,৩৩০.৫৪/-টকা + অনাদায় মাচুল- ৩,৩০,৪৪৭.৪৬/-টকা) (যি এই জাননীৰ তাৰিখত অৰ্থাৎ ১৩(২) জাননীৰ তাৰিখত প্ৰাপ্য মূলধন আৰু সুদক প্ৰতিনিধিত্ব কৰে)** পৰিশোধ কৰিবলৈ আহ্বান জনোৱা হৈছিল।

ঋণ লওঁতা/গেৰাণ্টাৰে উক্ত ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাত, ইয়াৰ দ্বাৰা ঋণ লওঁতা/গেৰাণ্টাৰ আৰু সাধাৰণ ৰাইজক জানিবলৈ দিয়া হয় যে নিম্নস্বাক্ষৰকাৰীয়ে **১৩ নৱেম্বৰ ২০২৬ তাৰিখে** চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ, ২০০২-ৰ নিয়ম ৮-ৰ সৈতে পঠিত এক্টৰ ধাৰা ১৩-ৰ উপ-ধাৰা (৪)-ৰ অধীনত তেওঁক প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ইয়াত তলত বৰ্ণনা কৰা সম্পত্তিৰ দখল গ্ৰহণ কৰিছে।

বিশেষকৈ ঋণ লওঁতা/গেৰাণ্টাৰ আৰু সাধাৰণ ৰাইজক ইয়াৰ দ্বাৰা সাৱধান কৰি দিয়া হয় যে তেওঁলোকে সম্পত্তিটোৰ সৈতে কোনো ধৰণৰ লেনদেন নকৰে আৰু এনে যিকোনো লেনদেন ১৩ নৱেম্বৰ, ২০২৬ তাৰিখলৈকে ২৭,৭৫,৫২২.৯১/- টকা (ক্ৰমে বকেয়া ধন- ১৪,২৫,০০০.০০/- টকা + অনাদায় সুদ- ৯,৫১,০৪২.৯৭/- টকা + অনাদায় মাচুল- ৩,৩০,৪৪৭.৪৬/- টকা + সঞ্চিত বকেয়া ৫৩,০৫৮.৭০/- টকা + সঞ্চিত এলআই ১৫,৯৭৩.৭৮ টকা) আৰু ইয়াৰ ওপৰত হোৱা সুদৰ বাবে চেণ্ট্ৰেল বেংক অফ ইণ্ডিয়া, উলুবাৰী শাখাৰ চাৰ্জৰ অধীনত হ'ব।

সুৰক্ষিত সম্পদ মুকলি কৰাৰ বাবে উপলব্ধ সময় সন্দৰ্ভত এক্টৰ ধাৰা ১৩-ৰ উপ-ধাৰা (৮)-ৰ ব্যৱস্থাৱলীৰ প্ৰতি ঋণ লওঁতা/গেৰাণ্টাৰৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পত্তিৰ বিৱৰণ**

অসমৰ কামৰূপ (ম) জিলাৰ গুৱাহাটী উপ-পঞ্জীয়ক কাৰ্যালয়ৰ অন্তৰ্গত বেলতলা মৌজাৰ জাপৰিগোগ গাঁৱত অৱস্থিত ১৭০/৬০৩ (পুৰণি) / ২০০৩ (নতুন) নং পাট্টাৰ ১২০১ (পুৰণি) / ৩৮৪১ (নতুন) নং দাগৰ অন্তৰ্গত শ্ৰীযুত ৰাজীৱ কলিতা, শ্ৰীযুত অৰূপ কলিতা আৰু শ্ৰীযুত অনুপ কলিতাৰ নামত থকা ১ (এক) কঠা ১৬ (যোল্ল) লেচা মাটিকালিৰ ভূমিৰ সকলো খণ্ড আৰু অংশৰ ইকুইটেবল মৰ্টগেজ। যাৰ চাৰিসীমা হৈছে- উত্তৰ ঃ ইন্দ্ৰ ভূষণ শৰ্মাৰ মাটি, দক্ষিণ ঃ মণি ৰাম কলিতাৰ মাটি, পূব ঃ সূৰ্য্য ভূঞাৰ মাটি, পশ্চিম ঃ জাপৰিগোগ পথ।

তাৰিখঃ ১৩/১১/২০২৬
স্থান ঃ গুৱাহাটী

কৰ্তৃত্বপ্ৰাপ্ত বিষয়া
চেণ্ট্ৰেল বেংক অফ ইণ্ডিয়া



**প্ৰাগ বৈছিমি ছিনথেটিকছ্ লিমিটেড**
পঞ্জীকৃত কাৰ্যালয় ঃ হাউচ নম্বৰ ৪, অম্বিকাগিৰী নগৰ, মিলন পথ, আৰ জি বৰুৱা ৰোড, গুৱাহাটী- ৭৮১ ০২৪
চিআইএন নম্বৰ ঃ L17124AS1987PLC002758 ইমেইল ঃ secretarial@bosimi.com, ৱেবছাইট ঃ www.pragbosimi.com

**৩০-০৯-২০২৬ত অন্ত পৰা সময়ছোৱাৰ আনঅডিটেট একত্ৰিত বিত্তীয় ফলাফলৰ বিৱৰণ**

(টকা লাখত)

| ক্ৰ. নং | বিৱৰণ | অন্ত পৰা তিনিমাহ | | | এপ্ৰিল ২০২৫-মাৰ্চ ২০২৬ লৈ অন্ত পৰা অডিটেট ১২ মাহ |
|---|---|---|---|---|---|
| | | ৩০-ছেপ্টেম্বৰ-২০২৬ (অডিটেট) | ৩০-জুন-২০২৬ (অডিটেট) | ৩০-ছেপ্টেম্বৰ-২০২৫ (আন অডিটেট) | |
| ১ | কাৰ্যকলাপৰ পৰা মুঠ আয় | 76.94 | 55.74 | 0.24 | 182.74 |
| ২ | ব্যতিক্ৰমী আৰু কৰ যোগ কৰাৰ পূৰ্বে লাভ/(লোকচান) | (188.85) | (147.70) | (286.87) | (1,080.45) |
| ৩ | অসাধাৰণ বিষয় আৰু কৰ যোগ কৰাৰ পূৰ্বে লাভ/(লোকচান) | (188.85) | (147.70) | (286.87) | (1,080.45) |
| ৪ | কৰ যোগ কৰাৰ পূৰ্বে সাধাৰণ কাৰ্যকলাপৰ পৰা লাভ/(লোকচান) | (188.85) | (147.70) | (286.87) | (1,080.45) |
| | | (188.85) | (147.70) | (286.87) | (1,080.45) |
| ৫ | কৰ পৰিশোধৰ পিছত উক্ত সময়ছোৱাৰ বাবে মুঠ লাভ/(লোকচান) | (188.85) | (147.70) | (286.87) | (1,080.45) |
| ৬ | উক্ত সময়ছোৱাৰ বাবে মুঠ অন্যান্য ব্যাপক আয় | | | | |
| ৭ | পৰিশোধিত ইকুইটি শ্বেয়াৰ মূলধন (প্ৰত্যেকৰে ফে'চ ভেল্যু ১০/- টকা) | 7,729 | 7,729 | 7,729 | 7,729 |
| ৮ | পূৰ্বৱৰ্তী হিচাপ বৰ্ষৰ বেলেঞ্চ শ্বীট অনুসৰি পুনৰ মূল্যাংকন সংৰক্ষিত ধনক বাদ দি সংৰক্ষিত ধন | | | | (10,732.41) |
| ৯ | প্ৰতি শ্বেয়াৰৰ উপাৰ্জন (অসাধাৰণ বিষয়সমূহৰ পূৰ্বে) (প্ৰত্যেকৰে ১০/-টকা) | | | | |
| | ক) বেছিক ইপিএছ | (0.24) | (0.19) | (0.37) | (1.40) |
| | খ) ডাইলুটেড ইপিএছ | (0.24) | (0.19) | (0.37) | (1.40) |

উপৰোক্ত তথ্যখিনি ছেবি এলঅ'ডিআৰ ৰেগুলেচনছ, ২০১৫ৰ ৰেগুলেচন ৩৩ৰ অধীনত ষ্টক এক্সচেঞ্জত দাখিল কৰা ৩০ ছেপ্টেম্বৰ ২০২৬ত অন্ত পৰা একত্ৰিত আনঅডিটেট বিত্তীয় ফলাফলৰ বিস্তৃত বিন্যাসৰ এক উদ্ধৃতি। ৩০ ছেপ্টেম্বৰ ২০২৬ত অন্ত পৰা তিনিমাহৰ আনএডিটেট ফলাফলৰ সম্পূৰ্ণ বিন্যাস কোম্পানীৰ ৱেবছাইট **"www.pragbosimi.com"** আৰু ষ্টক এক্সচেঞ্জৰ ৱেবছাইট অৰ্থাৎ **www.bseindia.com**ত উপলব্ধ।

স্থান ঃ গুৱাহাটী
তাৰিখ ঃ ১২-১১-২০২৬

প্ৰাগ বৈছিমি ছিনথেটিকছ্ লিমিটেডৰ বাবে
স্বা/- ৰক্তিম কুমাৰ দাস
পূৰ্ণকালীন সঞ্চালক
ডিআইএন নম্বৰ ঃ ০৫১১৫১২৬



**বৰাক ভেলী চিমেণ্টছ লিমিটেড**
পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ দেবেন্দ্ৰ নগৰ, ঝুমবস্তি, ডাকঘৰ বদৰপুৰঘাট, কৰিমগঞ্জ, গুৱাহাটী, অসম দূৰভাষ ঃ ০৩৮৪৩-২৭০৪২২, ০১১-৪১২১২৬০০
ৱেবছাইট ঃ www.barakcement.com,
ই-মেইল ঃ cs@barakcement.com, চিআইএন ঃ L01403AS1999PLC005741

৩০ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে সমাপ্ত হোৱা ত্ৰৈমাসিক আৰু অৰ্ধ-বাৰ্ষিকৰ অনা-নিৰীক্ষিত ষ্টেণ্ডএলʼন আৰু একত্ৰীকৃত বিত্তীয় ফলাফলৰ বিবৃতিৰ সাৰাংশ (টকা লাখত)

| বিৱৰণ | ষ্টেণ্ডএলʼন | | | | | | একত্ৰীকৃত | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | সমাপ্ত হোৱা ত্ৰৈমাসিক | | | সমাপ্ত হোৱা অৰ্ধ-বাৰ্ষিক | | সমাপ্ত হোৱা বৰ্ষ | সমাপ্ত হোৱা ত্ৰৈমাসিক | | | সমাপ্ত হোৱা অৰ্ধ-বাৰ্ষিক | | সমাপ্ত হোৱা বৰ্ষ |
| | ৩০.০৯.২০২৬ (অনা-নিৰীক্ষিত) | ৩০.০৬.২০২৬ (অনা-নিৰীক্ষিত) | ৩০.০৯.২০২৫ (অনা-নিৰীক্ষিত) | ৩০.০৯.২০২৬ (অনা-নিৰীক্ষিত) | ৩০.০৯.২০২৫ (অনা-নিৰীক্ষিত) | ৩১.০৩.২০২৬ (নিৰীক্ষিত) | ৩০.০৯.২০২৬ (অনা-নিৰীক্ষিত) | ৩০.০৬.২০২৬ (অনা-নিৰীক্ষিত) | ৩০.০৯.২০২৫ (অনা-নিৰীক্ষিত) | ৩০.০৬.২০২৬ (অনা-নিৰীক্ষিত) | ৩০.০৯.২০২৫ (অনা-নিৰীক্ষিত) | ৩১.০৩.২০২৬ (নিৰীক্ষিত) |
| ১. পৰিচালনাৰ পৰা হোৱা মুঠ আয় | 6169.53 | 6029.08 | 4749.55 | 12,198.62 | 10,518.58 | 21,310.41 | 6,172.24 | 6,098.80 | 5,770.82 | 12,271.04 | 10,524.17 | 21364.36 |
| ৩. কৰ, ব্যতিক্ৰমী বিষয়সমূহৰ পূৰ্বে নিকা লাভ/(লোকচান) | 267.63 | 403.03 | 100.91 | 670.66 | 447.80 | 733.91 | 244.69 | 407.69 | 28.64 | 652.38 | 254.33 | 279.41 |
| ৪. সময়ছোৱাৰ বাবে কৰৰ পূৰ্বে নিকা লাভ/(লোকচান) (অসাধাৰণ বিষয়সমূহৰ পিছত) | 267.63 | 403.03 | 100.91 | 670.66 | 447.80 | 733.91 | 244.69 | 407.69 | 28.64 | 652.38 | 254.33 | 279.41 |
| ৫. কৰৰ পিছত নিকা লাভ/(লোকচান) (ব্যতিক্ৰমী আৰু/বা অসাধাৰণ বিষয়সমূহৰ পিছত) | 199.55 | 301.6 | 54.15 | 501.55 | 308.31 | 495.72 | 176.61 | 306.25 | (18.12) | 482.86 | 114.83 | 29.37 |
| ৬. সময়ছোৱাৰ বাবে মুঠ সৰ্বাংগীণ আয় | 199.55 | 301.6 | 54.15 | 501.55 | 308.31 | 508.46 | 176.61 | 306.25 | (18.12) | 482.86 | 114.83 | 42.12 |
| ৭. ইকুইটী শ্বেয়াৰ মূলধন | 2216 | 2216 | 2216 | 2,216.00 | 2,216.00 | 2,216.00 | 2,216.00 | 2,216.00 | 2,216.00 | 2,216.00 | 2,216.00 | 2,216.00 |
| ৮. প্ৰতি শ্বেয়াৰৰ ফেচ ভেল্যু | 10 | 10 | 10 | 10 | 10 | 10 | 10 | 10 | 10 | 10 | 10 | 10 |
| ৯. প্ৰতি শ্বেয়াৰৰ উপাৰ্জন (প্ৰতিটোৰ ফেচ ভেল্যু ১০ টকা, ত্ৰৈমাসিক পৰিসংখ্যাৰ বাবে বাৰ্ষিক হিচাপত নহয়) | | | | | | | | | | | | |
| প্ৰাথমিক ঃ | 0.90 | 1.36 | 0.24 | 2.26 | 1.39 | 2.24 | 0.80 | 1.38 | (0.06) | 2.18 | 0.52 | 0.13 |
| ডিলিউটেডঃ | 0.90 | 1.36 | 0.24 | 2.26 | 1.39 | 2.24 | 0.80 | 1.38 | (0.06) | 2.18 | 0.52 | 0.13 |

টোকা ঃ
১. ওপৰৰখিনি হৈছে চেবি (লিষ্টিং অবলিগেশ্যনছ এণ্ড ডিচ্‌ক্ল'জাৰ ৰিকুৱায়াৰমেণ্টছ) ৰেগুলেশ্যনছ, ২০১৫-ৰ ৰেগুলেশ্যন ৩৩-ৰ অধীনত ষ্টক এক্সচেঞ্জত দাখিল কৰা ৩০ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে সমাপ্ত হোৱা ত্ৰৈমাসিক আৰু অৰ্ধ-বাৰ্ষিকৰ অনা-নিৰীক্ষিত বিত্তীয় ফলাফলৰ বিতং ফৰ্মেটৰ এক সাৰাংশ। অনা-নিৰীক্ষিত বিত্তীয় ফলাফলৰ সম্পূৰ্ণ ফৰ্মেট ষ্টক এক্সচেঞ্জৰ ৱেবচাইট (www.bseindia.com আৰু www.nseindia.com) আৰু কোম্পানীৰ ৱেবচাইট "www.barakcement.com"ত উপলব্ধ আছে। ইয়াক তলত দিয়া কিউআৰ ক'ডৰ জৰিয়তেও চাব পাৰি-
২. ৩০ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে সমাপ্ত হোৱা ত্ৰৈমাসিক আৰু অৰ্ধ-বাৰ্ষিকৰ ওপৰোক্ত ষ্টেণ্ডএলʼন আৰু একত্ৰীকৃত বিত্তীয় ফলাফলসমূহ নিৰীক্ষণ সমিতিৰ দ্বাৰা পৰ্যালোচনা কৰা হৈছিল আৰু তাৰ পিছত ১৩ নৱেম্বৰ, ২০২৬ তাৰিখে অনুষ্ঠিত হোৱা তেওঁলোকৰ সভাত সঞ্চালক মণ্ডলৰ দ্বাৰা অনুমোদন জনোৱা হৈছিল।
৩. ওপৰোক্ত বিত্তীয় ফলাফলসমূহ কোম্পানীৰ সঞ্চালক মণ্ডলৰ দ্বাৰা অনুমোদিত আৰু বিধিগত নিৰীক্ষকসকলৰ দ্বাৰা প্ৰদান কৰা অনুসৰি সীমিত পৰ্যালোচনা প্ৰতিবেদনৰ অধীনত আছে।

স্থান ঃ নতুন দিল্লী
তাৰিখ ঃ ১৩.১১.২০২৬

ব'ৰ্ডৰ হৈ আৰু সপক্ষে
বৰাক ভেলী চিমেণ্টছ লিমিটেডৰ বাবে
স্বাক্ষৰিত/-
কামাখ্যা চামৰীয়া
(উপাধ্যক্ষ আৰু পৰিচালন সঞ্চালক)

## SUPERIOR FINLEASE LIMITED

CIN : L74899DL1994PLC061995

Regd. Off: Flat No. 5, Plot No. 19, 21, Kh. No. 33/21, Second Floor, NS Block, Rana Ji Enclave, Gali No.3, Najafgarh, South West Delhi, New Delhi-110043; Email id: superiorfinlease@gmail.com; Website: www.superiorfinlease.com

**Extract of Statement of Unaudited Financial Result for the Quarter ended 30th September, 2026.**

(Rupees in lacs)

| Sl No. | Particulars | Quarter ended | | | Year ended |
|---|---|---|---|---|---|
| | | CURRENT QUARTER | Previous Quarter | Corresponding Quarter | 31.03.2026 (Rs.""lacs"") |
| | | 01.07.2026 to 30.09.2026 | 01.04.2026 to 30.06.2026 | 01.07.2025 to 30.09.2025 | |
| | | Unaudited | Unaudited | Unaudited | Audited |
| I | REVENUE FROM OPERATIONS | 10.52 | 8.82 | 7.11 | 36.70 |
| 2 | Profit / (loss) before exceptional items and tax (III-IV) | 2.31 | -3.89 | 1.47 | 5.85 |
| 3 | Profit/(loss) before tax (V-VI) | 2.31 | -3.89 | 1.47 | 5.85 |
| 4 | Profit / (loss) for the period from continuing operations (VII-VIII) | 2.31 | -3.89 | 1.47 | 4.77 |
| 5 | Total Comprehensive income for the period (XIII + XV) | 2.31 | -3.89 | 1.47 | 4.77 |
| 6 | Paid up equity share capital (Face value Rs. 1/- per share) | 432.60 | 432.60 | 432.60 | 432.60 |
| 7 | Reserve excluding Revaluation Reserves as per balance sheet of previous accounting year | 89.58 | 89.58 | 89.58 | 89.58 |
| 8 | Earnings per equity share | | | | |
| | (1) Basic (in Rupees) | 0.01 | -0.01 | - | 0.01 |
| | (2) Diluted (in Rupees) | 0.01 | -0.01 | - | 0.01 |

**Note:** The above is an extract of the detailed formate of Quarterly ended Financial Results filed with the stock exchange under regulation 33 of the SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015. The full format of the Quarterly ended Financial Results are available on the Stock Exchange Website i.e. www.msei.in and www.bseindia.com and company's website i.e. www.superiorfinlease.com and can be accessed by scanning the given QR code.

For Superior Finlease Limited
Sd/-
(RAJNEESH KUMAR)
Director
DIN: 02463693

Date : 14.11.2026
Place : New Delhi

## TRADEWELL HOLDINGS LIMITED

CIN: L74110DL1995PLC064237

Regd. Off: Flat No 1196, Sector-D, Pkt-1, Vasant Kunj, Opp- Heritage School, New Delhi-110070

Tel.: 011-22755819 | Email Id: info@brandrealty.in | Website: https://www.brandrealty.in

**Statement of Unaudited Standalone Financial Results for the Second Quarter & Half Year Ended 30th September, 2026**

**(Rs. in Lacs except per share data)**

| Particulars | Quarter ended | | Half Year Ended |
|---|---|---|---|
| | 30.09.2026 (Unaudited) | 30.09.2025 (Unaudited) | 30.09.2026 (Unaudited) |
| Total Income from Operations | 13.54 | 27.51 | 23.20 |
| Net Profit / (Loss) for the period (before Tax, Exceptional and/or Extraordinary items) | (33.18) | 80.97 | (14.34) |
| Net Profit / (Loss) for the period before tax (after Exceptional and/or Extraordinary items) | (33.18) | 80.97 | (14.34) |
| Net Profit / (Loss) for the period after tax (after Exceptional and/or Extraordinary items) | (111.04) | 115.65 | (84.53) |
| Total Comprehensive Income for the period [Comprising Profit/(Loss) for the period (after tax) and Other Comprehensive Income (after tax)] | (111.04) | 115.65 | (84.53) |
| Paid up Equity Share Capital (of Rs. 10/- each) | 300.44 | 300.44 | 300.44 |
| Reserves excluding Revaluation Reserves (As per previous acc. Year) | 0.00 | 0.00 | 0.00 |
| Earnings Per Share (of Rs. 10/- each) (for continuing and discontinued operations)- | | | |
| Basic : | (3.70) | 3.85 | (2.81) |
| Diluted: | (3.70) | 3.85 | (2.81) |

**Notes:**

